**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 22-10-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত পঞ্চম ৰাষ্ট্ৰীয় জল বঁটাসমূহ প্ৰদান কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোড়শ ব্ৰিকছ্ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে আজি ৰাছিয়ালৈ ৰাওনা হ'ব।

৩। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে পূব লাডাখত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ সমীপত টহল দিয়াৰ ব্যৱস্থা সন্দৰ্ভত ভাৰত আৰু চীনৰ মাজত হোৱা চুক্তিক প্ৰশংসা কৰিছে।

৪। পূব লেবাননৰ বালবেক চহৰত ইজৰাইলৰ ড্ৰ'ন আক্ৰমণত কালি ৬ গৰাকী লোকে প্ৰাণ হেৰুৱায়। **আৰু**

৫। ভাৰতীয়-এ দলে কালি পুৰুষৰ টি-টুৱেণ্টি ইমাৰজিং টীমছ্ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত পঞ্চম ৰাষ্ট্ৰীয় জল বঁটাসমূহ প্ৰদান কৰিব। কেন্দ্ৰীয় জল শক্তি মন্ত্ৰালয়ে শ্ৰেষ্ঠ ৰাজ্য, শ্ৰেষ্ঠ জিলা, শ্ৰেষ্ঠ গাঁও পঞ্চায়ত, শ্ৰেষ্ঠ নগৰ অঞ্চল, শ্ৰেষ্ঠ জল ব্যৱহাৰকাৰী সংস্থা আৰু শ্ৰেষ্ঠ নাগৰিক সমাজ -আদি ৯ টা শাখাত ৩৮টা বঁটা প্ৰদান কৰিব। শ্ৰেষ্ঠ ৰাজ্যৰ শিতানত ওড়িশাই প্ৰথম, উত্তৰ প্ৰদেশে দ্বিতীয় আৰু গুজৰাট আৰু পুডুচেৰীয়ে যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিছে। ৰাষ্ট্ৰীয় জল বঁটাৰ বাবে চৰকাৰৰ জল সমৃদ্ধ ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে কাম কৰা বা প্ৰয়াস চলোৱা ব্যক্তি-সংগঠনক বাছনি কৰা হয়। প্ৰতিটো শাখাৰ বিজেতাক একোখনকৈ প্ৰশস্তিপত্ৰ, ট্ৰফী আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, চৰকাৰে জলব্যৱস্থাপনা আৰু জল সংৰক্ষণৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় পৰ্যায়ত সৰ্বাত্মক অভিযান ৰূপায়ণ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোড়শ ব্ৰিকছ্ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে আজি ৰাছিয়ালৈ ৰাওনা হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ আমন্ত্ৰণমৰ্মে কাজানত হ'বলগীয়া ব্ৰিকছ্ সন্মিলনত অংশ ল'ব। এইবাৰৰ এই সন্মিলনৰ বিষয় হৈছে-**গোলকীয় বিকাশ আৰু সুৰক্ষাৰ বাবে বহুপাক্ষিকতা শক্তিশালী কৰা**। ৰাছিয়াত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় কুমাৰে কালি কাজানত আকাশবাণীৰ সংবাদদাতাৰ সৈতে হোৱা কথা-বতৰাত কয় যে, এই সন্মিলনে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সমস্যাসমূহ আলোচনা কৰাৰ বাবে গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে কাম কৰিব। সন্মিলনত ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীয়ে মুকলি কৰা বিভিন্ন উদ্যমৰ প্ৰগতিৰ বিষয়েও আলোচনা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভ্ৰমণকালত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

ইপিনে প্ৰধানমন্ত্ৰীৰ ৰাছিয়া ভ্ৰমণ সন্দৰ্ভত কালি নতুন দিল্লীত সাংবাদিকৰ আগত বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে কয় যে, ভাৰত হৈছে ব্ৰিকছৰ প্ৰতিষ্ঠাপক সদস্য ৰাষ্ট্ৰ আৰু আৰম্ভণিৰে পৰা ইয়াৰ সকলো কাৰ্যকলাপ তথা পদক্ষেপত ভাৰতে অংশগ্ৰহণ কৰি আহিছে। ব্ৰিকছৰ বাবে ভাৰতৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি শ্ৰীমিশ্ৰিয়ে কয় যে, অৰ্থনৈতিক বিকাশ, বহনক্ষম উন্নয়ন আৰু গোলকীয় শাসন সংস্কাৰ আদিৰ দৰে বিভিন্ন ক্ষেত্ৰত ব্ৰিকছৰ প্ৰচেষ্টাত ভাৰতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

বিদেশ সচিবগৰাকীয়ে লগতে উল্লেখ কৰে যে, ব্ৰিকছে ভালেমান গোলকীয় প্ৰত্যাহ্বান প্ৰতিহত কৰাৰ ক্ষেত্ৰত এখন গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে সেৱা আগবঢ়াই আহিছে। তেওঁ কয় যে, এই দুদিনীয়া শীৰ্ষ সন্মিলনে অৰ্থনৈতিক সহযোগিতা শক্তিশালী কৰা, শক্তি আৰু খাদ্য সুৰক্ষাৰ বাবে সহযোগিতাৰ প্ৰসাৰ কৰা তথা স্বাস্থ্যখণ্ডত সহযোগিতা  বৃদ্ধি কৰিব। বিদেশ সচিবগৰাকীয়ে লগতে কয় যে, যোৱা বছৰ জোহান্সবাৰ্গত অনুষ্ঠিত সন্মিলনত প্ৰথমবাৰৰ বাবে ব্ৰীকছৰ সম্প্ৰসাৰণ হোৱাৰ পাছত এইবাৰ প্ৰথম এই সন্মিলন অনুষ্ঠিত হ'ব।

শ্ৰীমোদীয়ে এই সন্মিলনৰ সুযোগতে ব্ৰিকছ্ সদস্য ৰাষ্ট্ৰৰ নেতা তথা অন্যান্য আমন্ত্ৰিত ব্যক্তিসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

০০০০০

জম্মু-কাশ্মীৰ বিধানসভাৰ প্ৰটেম অধ্যক্ষ মুবাৰক গুলে কালি মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা তথা বিধানসভাৰ নতুনকৈ নিৰ্বাচিত অন্যান্য সদস্যসকলক শপতবাক্য পাঠ কৰোৱায়। এই উপলক্ষে দিয়া ভাষণত প্ৰটেম অধ্যক্ষগৰাকীয়ে বিধায়কসকলক আদৰণি জনাই কয় যে, প্ৰায় ৬ বছৰৰ অন্তত জম্মু-কাশ্মীৰ বিধানসভাৰ অধিৱেশন আৰম্ভ হোৱাটো অতি আনন্দৰ কথা। জনসাধাৰণৰ কল্যাণৰ বাবে বিধায়কসকলে সামূহিকভাৱে কাম কৰিব লাগিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০

বিদেশ পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে পূব লাডাখত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত টহল দিয়াৰ ব্যৱস্থা সন্দৰ্ভত ভাৰত আৰু চীনৰ মাজত হোৱা চুক্তিক প্ৰশংসা কৰিছে । তেওঁ কয় যে এইক্ষেত্ৰত দুয়োখন দেশ ২০২০ চনৰ পৰিস্থিতিলৈ ওভতি গৈছে। ডাঃ জয়শংকৰে লগতে কয় যে এইক্ষেত্ৰত চীনৰ সৈতে থকা ভাৰতৰ বিচ্ছিন্নতামূলক মনোভাৱৰ সমাপ্তি ঘটিছে। এয়া ইতিবাচক বিকাশ, ধৈৰ্য্য আৰু অতি অধ্যৱসায়ী কূটনীতিৰ ফল বুলিও বিদেশ মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

পূব লেবাননৰ বালবেক চহৰৰ এটা ঘৰত ইজৰাইলৰ ড্ৰ'ন আক্ৰমণত কালি ৬ জন লোক নিহত হোৱা বুলি জানিব পৰা গৈছে। লেবাননৰ চৰকাৰী সংবাদ মাধ্যমত প্ৰকাশ পোৱা মতে, মধ্য বালবেকৰ নবি ইনাম এলেকাত থকা ঘৰটোত ইজৰাইলী ড্ৰ'নে আক্ৰমণ কৰে। ইফালে, হিজবুল্লাহে কৈছে যে খালেট ৱাৰ্ডেহ অঞ্চলত থকা ইজৰাইলৰ সেনা বাহিনীৰ ঘাটিক লক্ষ্য কৰি হিজবুল্লাহে ৰকেট চালভো নিক্ষেপ কৰিছে। ২৩ ছেপ্টেম্বৰৰ পৰা ইজৰাইলী সেনাই লেবাননত বিমান আক্ৰমণ অব্যাহত ৰাখিছে।

০০০০০

পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কালি নবান্নাত থকা ৰাজ্যিক সচিবালয়ত প্ৰতিবাদকাৰী কনিষ্ঠ চিকিৎসকলৰ প্ৰতিনিধিবৰ্গৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত আৰ জি কৰ চিকিৎসা মহাবিদ্যালয়ত সংঘটিত ঘটনাৰ ভুক্তভোগীৰ বাবে ন্যায় প্ৰদানকে ধৰি বিভিন্ন বিষয় লৈ আলোচনা কৰা হয়। বৈঠকৰ অন্তত কনিষ্ঠ চিকিৎসকসকলে তেওঁলোকৰ অনশন বাতিল কৰিছে। বৈঠকত ৰাজ্যখনৰ মুখ্য সচিব আৰু গৃহ সচিবো উপস্থিত থাকে।

০০০০০

ৰাজ থাকৰে নেতৃত্বাধীন মহাৰাষ্ট্ৰ নৱনিৰ্মাণ সেনাই ৰাজ্যখনৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। দলটোৱে কল্যাণ ৰুৰেল সমষ্টিৰ পৰা ৰাজু পাটিলক আৰু থানে সমষ্টিৰ পৰা অবিনাশ যাদৱক প্ৰক্ষেপ কৰিছে।

০০০০০

ৰিপাব্লিকান পাৰ্টিৰ ৰাষ্ট্ৰীয় অধ্যক্ষ আৰু কেন্দ্ৰীয় সামাজিক ন্যায় মন্ত্ৰী ৰামদাস আঠাৱালেই কালি মুম্বাইত মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নাৱিছৰ সৈতে আসন্ন বিধানসভা নিৰ্বাচনত আসনৰ ভাগ-বটোৱাৰাক লৈ আলোচনা কৰে। মহাৰাষ্ট্ৰৰ সৈতে জড়িত ভালেমান ৰাজনৈতিক তথা উন্নয়নমূলক আলোচনাই বৈঠকত স্থান পায়।

০০০০০

কংগ্ৰেছে ঝাৰখণ্ডৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ২১ গৰাকী প্ৰাৰ্থীৰ নাম সম্বলিত প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। তালিকা অনুসৰি মন্ত্ৰী ৰামেশ্বৰ ওৰাৱনে লোহাড়দাগা আৰু দলৰ জ্যেষ্ঠ ডাঃ অজয় কুমাৰে জামছেদপুৰ পূব বিধানসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ইপিনে ঝাৰখণ্ডৰ মন্ত্ৰী ডাঃ ইৰফান আনছাৰীক তেওঁৰ বৰ্তমানৰ সমষ্টি জামতাৰাৰ পৰা প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰা হৈছে। দলৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিয়ে প্ৰাৰ্থীসকলৰ নাম চূড়ান্ত কৰিছে।

০০০০০

নিউজিলেণ্ডৰ বিৰুদ্ধে চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ পুনে আৰু মুম্বাইত হ'বলগীয়া পৰৱৰ্তী দুখন খেলৰ বাবে অলৰাউণ্ডৰ ৱাশ্বিংটন সুন্দৰক ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ নিৰ্বাচক কমিটীয়ে এই ঘোষণা কৰিছে।

০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে ৩১ অক্টোবৰৰ পৰা আৰম্ভ হ'বলগীয়া অষ্ট্ৰেলিয়া ভ্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয়-এ দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। ভ্ৰমণকালত দলটোৱে অষ্ট্ৰেলিয়া-এ দলৰ বিৰুদ্ধে মেকে আৰু মেলবৰ্নত দুখন প্ৰথম শ্ৰেণীৰ খেলত অৱতীৰ্ণ হোৱাৰ পাছত পাৰ্থত ভাৰতৰ পুৰুষৰ জ্যেষ্ঠ দলৰ বিৰুদ্ধে এখন তিনিদিনীয়া অন্তৰ্দলীয় খেলত ভাগ ল'ব।

পৰিষদৰ নিৰ্বাচন কমিটীয়ে ৰুতুৰাজ গায়কোৱাড়ক ১৫ জনীয়া ভাৰতীয়-এ দলৰ অধিনায়কৰ দায়িত্ব অৰ্পণ কৰিছে। পৰিষদৰ চুক্তিবদ্ধ খেলুৱৈসকলৰ তালিকাৰ পৰা চলিত বৰ্ষৰ আৰম্ভণিতে বাদ দিয়া ঈশান কিষণকো দলৰ সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

ভাৰতীয়-এ দলে কালি আল এমেৰাটত অনুষ্ঠিত পুৰুষৰ টি-টুৱেণ্টি ইমাৰজিং টীমছ্ এছিয়া কাপ ক্রিকেট প্রতিযোগিতাৰ এখন খেলত সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰক ৭ উইকেটত পৰাস্ত কৰে। টছত জয়ী হৈ সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰই প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে যদিও দলটোৱে ১৯টা বল বাকী থকা অৱস্থাত ১০৭ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। দলটোৰ হৈ ৰাহুল চোপ্ৰাই ৫০টা বলত সৰ্বাধিক ৫০ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ ৰাছিখ ছালামে দুই অভাৰত ১৫ ৰানৰ বিনিময়ত ৩টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতীয় দলে ৩টা উইকেট হেৰুৱাই একাদশ অভাৰত বিজয় লক্ষ্য অতিক্ৰম কৰে। ভাৰতৰ অভিষেক শৰ্মাই ২৪টা বলত ৫৮ ৰান কৰে। ৰাছিখ ছালামক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

ভাৰতীয় দলটো প্ৰতিযোগিতাৰ পৰৱৰ্তী খেলখনত কাইলৈ ওমানৰ মুখামুখি হ'ব।

০০০০০

কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰী আৰু ভূটানৰ প্ৰধানমন্ত্ৰী শ্বেৰিং টবগেই কালি নতুন দিল্লীত সেউজীয়া হাইড্ৰজেন চলিত বাছযাত্ৰাৰ অভিজ্ঞতা লয়। ইয়াৰ জৰিয়তে শ্ৰী পুৰীয়ে ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সন্মুখত সেউজ হাইড্ৰজেনৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতি প্ৰদৰ্শন কৰে। উল্লেখযোগ্য যেএই বাছখনে কোনো কাৰ্বন ডাই অক্সাইড বা প্ৰদূষক নিৰ্গত নকৰি কেৱল বিশুদ্ধ পানীহে নিৰ্গত কৰে। সেউজ হাইড্ৰ'জেন খণ্ডৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে প্ৰথম স্থানত থকা ভাৰতে ইতিমধ্যে সমগ্ৰ দেশতে মেট্ৰ' চহৰসমূহত ১৫খন সেউজ হাইড্ৰ'জেন ইন্ধনচালিত বাছ নিয়োগ কৰিছে।

০০০০০

সমাপ্ত